بِسۡمِ اللّٰہِ الرَّحۡمٰنِ الرَّحِیۡمِ   نَحۡمَدُہٗ وَنُصَلِّیۡ عَلٰی رَسُوۡلِہِ الۡکَرِیۡمِ   وَعَلٰی عَبۡدِہِ الۡمَسِیۡحِ الۡمَوۡعُوۡدِ

# খোতবা জুমা

**ছৈয়েদেনা হজৰত আকদছ আমিৰুল মোমিনিন খলিফাতুল মছিহ পঞ্চম (আইঃ) য়ে ২০১৯ চনৰ ২৬ এপ্ৰিল মছজিদ বায়তুল ফতুহ মৌৰডনৰ (বৃটেইনত) প্ৰদান কৰা জুমাৰ খোতবাৰ সাৰংশ।**

তাছাহুদ,তাউয আৰু ছুৰা ফাতিহা পাঠৰ পিছত হুযুৰ আনোৱাৰ (আইঃ) য়ে যোৱা জুমাৰ খোতবাত হজৰত উচমান বিন মজউন (ৰাঃ) ৰ বিষয়ে বৰ্ণনা কৰোঁতে যত বিৰতি ৰাখিছো সেয়া হল তেখেত (ৰাঃ) জান্নাতুল বকিত দফন হোৱা প্ৰথমজন ব্যাক্তি আছিল।

জান্নাতুল বকিৰ ভিত্তি আৰু আৰম্ভনী সম্পৰ্কে যি বৰ্ণনাৰ উল্লেখ পোৱা যায় সেয়া হল এনে ধৰণৰ আঁহজৰত (ছাঃ) মদিনাত অৱস্থানৰ আগৰে পৰাই তত বহুত কবৰস্থান আছিল। ইহুদী সকলৰ এটা নিজাববীয়া কবৰস্থান আছিল। আনহাতে আৰবৰ বিভিন্ন কবিলা সমুহৰ নিজা নিজা কবৰস্থান আছিল। মদিনা তৈয়েবা যিহেতু সেই সময়ত বিভিন্ন গাৱঁত বিভক্ত আছিল, সেয়ে প্ৰত্যেক কবিলাৰ (গোত্ৰ) নিজ নিজ গাৱঁত থকা মুক্ত ঠাইবোৰত নিজৰ মৃতকক দাফন কৰিছিল। কুবাৰ এখন পৃথক কবৰ স্থান আছিল সেয়া আছিল বেছি জনাজাত কবৰ স্থান। তাত আৰু সৰু সৰু কেইবাটাও কবৰস্থান আছিল। কবিলা বনু জাফৰৰ নিজা কবৰস্থান আছিল।বনু ছালামাৰ নিজা পৃথক এখন কবৰস্থান আছিল।এইবোৰ কবৰ স্থানৰ ওচৰতে বণু ছ্বআদাৰ এখন কবৰ স্থান আছিল।যিজন ব্যাক্তিৰ মাটিতেই নবী (ছাঃ) ৰ আবাসস্থল গঢ়ি তোলা হৈছিল আৰু যি ঠাই ডোখৰোতেই মছজিদ নবুবী নিৰ্মাণ হৈছিল তাতেই খেজুৰ গছৰ তলত কেইজন মান মুশৰিকৰ কবৰও আছিল। এই সকলোবোৰ কবৰস্থানৰ ভিতৰত বকিউল গৰকদ আটাইতকৈ পুৰণি আৰু বিখ্যাত কবৰ স্থান আছিল। পিছত যেতিয়া নবী (ছাঃ) য়ে সেই কবৰস্থান খন মুছলমান সকলৰ কবৰস্থান হিচাপে বাছি লৈছিল তেতিয়াৰে পৰা আজিলৈকে ইয়াৰ এটা সুকীয়া আৰু উচ্চ মৰ্যদা চলি আহিছে আৰু যি সদায় থাকিব।

হজৰত উবায়দুল্লাহ বিন আবি ৰাফিয়াৰ পৰা বৰ্ণিত আছে যে ৰছুলুল্লাহ (ছাঃ) য়ে এনেকুৱা এখন ঠাই বিচাৰি আছিল, যত কেবল ঠাই পৰিদৰ্শন কৰিছিল। কিন্তু ৰবিউল গৰকদৰ ভাগ্যত লিখা আছিল। ৰছালত মাব (ছাঃ) য়ে কৈছিল মোক আদেশ দিয়া হৈছিল যে মই এই ঠাইখন নিৰ্বাচিত কৰি লওঁ। সৰ্ব প্ৰথম ইয়াতেই হজৰত উচমান বিন মজউন (ৰাঃ) ক দফন কৰা হৈছিল। ৰছুলুল্লাহ (ছাঃ) য়ে এখেতৰ কবৰৰ মূৰৰ ফালে এটা পাথৰ ৰাখি দিছিল চিনাক্তকৰণৰ বাবে আৰু কৈছিল যে এইজন হৈ গল আমাৰ প্ৰথম। এখেত (ৰাঃ) ৰ পিছত যেতিয়া কোনো এজনৰ মৃত্যু হলেই, লোকে আহি আঁহজৰত (ছাঃ) ক সুধিছিল যে এওঁক কত দাফন কৰা যায় ? তেতিয়া আঁহজৰত (ছাঃ) য়ে কৈছিল যে আমাৰে আগৰ উচমান বিন মজউনৰ কাষত। বকী আৰবী ভাষাত সেই ঠাইক বুজোৱা হয়ন যি ঠাই গছ-গছনিৰে ভৰা। মদিনা তৈয়েবাত এই ঠাইখন বকিউল গৰকদ নামেৰে পৰিচিত হবলৈ ধৰিলে কাৰণ তাত গৰকদৰ গছ বেছি আছিল। ইয়াৰ উপৰি তাত জোপোহা গছ-গছনিৰে ভৰা হাবিৰ দৰে আছিল।ইয়াকে জান্নাতুল বকি বুলিও কোৱা হয়। হজৰত ছালম বিন আব্দুল্লাহ নিজৰ দেউতাকৰ পৰা শুনি বৰ্ণনা কৰিছে যে যেতিয়া কোনোবাই মৃত্যুবৰণ কৰিছিল তেতিয়া ৰছুলে কৰিম (ছাঃ) য়ে কৈছিল তেওঁক আমাৰ আগতে যোৱা বান্দাৰ ওচৰত পঠাই দিয়া। উচমান বিন মজউন মোৰ উম্মতৰ কিমান য়ে উত্তম আগুৱান। হজৰত ইবনে আববাছ (ৰাঃ) ৰ পৰা বৰ্ণিত আছে যে যেতিয়া হজৰত উচমানৰ মৃত্যু হৈছিল তেতিয়া আঁহজৰত (ছাঃ) য়ে তেখেতৰ লাচৰ ওচৰত আহি তেখেত (ছাঃ) য়ে তেখেতৰ ওপৰত তিনিবাৰ নিজৰ মূৰ অৱনত কৰে আৰু উচ্চস্বৰে কয় হে আবু ছাহেব আল্লাহ তোমালৈ দয়া প্ৰৱণ হওঁক, তুমি জগতৰ পৰা এনে অৱস্থাত গৈছা যে জগতৰ কোনো বস্তুৰ মোহতেই আৱদ্ধ হোৱা নাই।

হজৰত আয়েশা (ৰাঃ) বৰ্ণনা কৰিছে যে আঁহজৰত (ছাঃ)য়ে হজৰত উচমান বিন মজউনৰ লাচ মোবাৰকত চুমা দিছিল। তেখেত (ছাঃ)ৰ দুনয়ন অশ্ৰু সিক্ত হৈ পৰিছিল। হজৰত আয়েশা (ৰাঃ) য়ে আৰু কৈছে যে মই দেখিছো যে নবী (ছাঃ)ৰ চকুলো হজৰত উচমান (ৰাঃ)ৰ গালৰ ওপৰত বৈ গৈ আছিল। যেতিয়া ৰছুলে কৰিম (ছাঃ) ৰ পুত্ৰ ইব্ৰাহিমৰ

মৃত্যু হৈছিল তেতিয়া ৰছুলুল্লাহ (ছাঃ) য়ে কৈছিল (আলহাক্কু বিচ্ছালফাচ্ছলেহিনু উচমানু ইবনে মজউন) অৰ্থ্যাৎ ছালাফাচ্ছালেহিন উচমান বিন মজউনৰ সৈতে গৈ মিলি যোৱা। হজৰত উচমান বিন অফফানৰ পৰা বৰ্ণিত আছে যে নবী কৰিম (ছাঃ) য়ে হজৰত উচমান বিন মজউন (ৰাঃ)ৰ জনাজা পঢ়াইছিল। সেই নামাজত চাৰি তকবিৰ পাঠ কৰিছিল। মুত্তালিবে বৰ্ণনা কৰিছে যে যেতিয়া হজৰত উচমান বিন মজউনৰ মৃত্যু হৈছিল, তেখেতৰ জানাজা কঢ়িয়াই নি দফন কৰা হৈছিল। তেতিয়া আঁহজৰত (ছাঃ) য়ে এজন ব্যাক্তিক আদেশ দিছিল যে সেই পাথৰটো লৈ আহা। লোকজনে সেই পাথৰটো ডাঙৰ আকাৰৰ আছিল কাৰণে অকলে উঠাব পৰা নাছিল তেতিয়া ৰছুলুল্লাহ (ছাঃ) য়ে তালৈ আগবাঢ়ি গৈছিলআৰু নিজৰ হাত দুখনৰ কাপোৰ ওপৰফালে কোচাই লৈ সেই লোকজনৰ লগত মিলি পাথৰটো উঠাই আনি হজৰত উচমান বিন মজউনৰ কবৰৰ মূৰৰ ফালে ৰাখিছিল আৰু কৈছিল মই এই চিনাক্তৰ জৰিয়তে নিজৰ ভায়েকক কবৰ চিনি লম।মোৰ বংশৰ কোনোবাই মৃত্যুবৰণ কৰিলে মই তাক ইয়াৰ ওচৰত দফন কৰোৱাম।

হুজুৰ আনোৱাৰ (আইঃ) য়ে কৈছে হজৰত হজৰত মিৰ্যা বশিৰ আহমদ চাহাবে হজৰত উচমান বিন মজউন (ৰাঃ) ৰ বিষয়ে যি বৰ্ণনা কৰিছে, তাৰে পৰা কেই আষাৰমান বৰ্ণনা কৰি দিছোঁ। তেখেতে লিখিছে যে চন ২ হিজিৰিৰ শেষ ভাগত আঁহজৰত (ছাঃ) য়ে নিজৰ চাহাবা সকলৰ নিমিত্তে মদিনাত এখন মকবাৰা (কবৰস্থান) স্থাপন কৰিছিল,যাক জান্নাতুল বকি বুলি কোৱা হৈছিল,সেইজনেই আছিল হজৰত উচমান বিন মজউন (ৰাঃ)। হজৰত উচমান (ৰাঃ) সাধু, ইবাদত গোজৰ,মুত্তাকী,সজ মানসিকতাৰ আৰু প্ৰাথমিক যুগৰ মুছলমান আছিল। মুছলমান হোৱাৰ পিছত এবাৰ তেখেত (ৰাঃ) য়ে আঁহজৰত (ছাঃ) ওচৰত আবেদন জনাইছিলযে মোক অনুমতি দিয়ক,মই জাগতিক চাহিদা সমুলি ত্যাগ কৰিব বিচাৰো আৰু পৰিবাৰ,পৰিজনৰ পৰা পৃথক হৈ নিজৰ জীৱণটো একমাত্ৰ ইবাদতে ইলাহিত উচ্চৰ্গা কৰিব বিচাৰো। কিন্তু আঁহজৰত (ছাঃ) য়ে তেনে কৰিবলৈ অনুমতি দিয়া নাছিল। মুঠতে হজৰত উচমান বিন মজউন (ৰাঃ) ৰ মৃত্যুত আঁহজৰত (ছাঃ) য়ে বাৰুকৈয়ে শোকাবিভুত হৈছিল। উল্লেখ আছে যে আঁহজৰত (ছাঃ) য়ে হজৰত উচমান (ৰাঃ) ৰ মৃত্যুৰ পিছত তেখেতৰ কপালত চুমা দিছিল। আৰু সেই সময়ত তেখেত (ছাঃ) ৰ চকুলো বৈ আহিছিল।হজৰত উচমান বিন (ৰাঃ) ক কবৰ দিয়াৰ পিছত তেখেত (ছাঃ) য়ে হজৰত উচমান (ৰাঃ) ৰ কাষত চিনাক্ত হিচাপে এটা পাথৰ ৰাখি থৈছিল। পিছত কেতিয়াবা কেতিয়াবা জান্নাতুল বকিত গৈ তেখেত (ছাঃ) য়ে হজৰত উচমান (ৰাঃ) ৰ নিমিত্তে দোৱা কৰিছিল। হজৰত উচমান বিন মজউন (ৰাঃ) য়েই আছিল প্ৰথম মুহাজিৰ যাৰ মদিনাত মৃত্যু হৈছিল।

হজৰত উচমান বিন মজউন (ৰাঃ) ৰ মৃত্যুত তেখেত (ৰাঃ) ৰ পত্নীয়ে স্মৃতি সংগীতত লিখিছে, যাৰ অৰ্থ হল এয়া যে হে নয়ন যুগল উচমানৰ তিৰোধানৰ ঘটনাত তুমি অবিৰাম চকুলো বোৱাই থকা। এই ব্যাক্তিৰ মৃত্যু ঘটিছে,যিয়ে নিজৰ সৃষ্টিকৰ্তাৰ সন্তুষ্টিৰ নিমিত্তে ৰাতি পাৰ কৰিছিল,তাৰ বাবে সুসংবাদ এয়া যে এজন অতুলনীয় ব্যাক্তিত্বৰ মানুহজন কবৰস্থ হৈছে।বকি আৰু গৰকদ নিজৰ এই বাসিন্দা জনৰ নিমিত্তে পবিত্ৰ হৈ গৈছে আৰু ইয়াৰ মাটিত তেখেত (ৰাঃ) ৰ কবৰস্থ হোৱাৰ পিছত জমিন আলোকিত হৈ গৈছে। তেখেত (ৰাঃ) ৰ মৃত্যুত মনটো এনেকুৱা শোকাবিভুত হৈছে, যি মোৰ মৃত্যুলৈকে কেতিয়াও শেষ নহয় আৰু মোৰ এই অৱস্থাৰ সলনিও নহয়।

হজৰত উম্মে আলা কৈছে যে মই আঁহজৰত (ছাঃ) ৰ সন্মুখত এয়া সাক্ষী দিছো যে হে আবু ছাহেব তোমাৰ ওপৰত আল্লাহৰ (দয়া) কৃপা বৰ্ষণ হওঁক। আল্লাহ তায়লা নিশ্চয় তোমাক সন্মান দান কৰিছে। তেতিয়া ৰছুলুল্লাহ (ছাঃ) য়ে কৈছিল,যিমান দূৰলৈ উচমানৰ সম্পৰ্কটো আছে, তেওঁৰ এতিয়া মৃত্যু হৈছে, মই তেওঁৰ কল্যান কামনা কৰো এয়াওঁ কামনা কৰো যে হে আল্লাহ তায়ালা নিশ্চয় তেওঁক সন্মান দান কৰিব। কিন্তু আল্লাহৰ শপত তেখেত (ছাঃ)য়ে এয়াওঁ কৈছে যে আল্লাহৰ কছম,মই নাজানো যে উচমানৰ সৈতে কি আচৰন কৰা হব, দোৱা নিশ্চয় কৰিছো। কিন্তু মই এয়া কব নোৱাৰো যে তাক নিশ্চয় সন্মান দান কৰিছে। যিহেতু মই আল্লাহৰ ৰছুল।

হুজুৰ আনোৱাৰ (আইঃ) য়ে কৈছে গতিকে এয়া আঁহজৰত (ছাঃ) ৰ তৰবিয়তৰ (শিক্ষাৰ) এটা পদ্ধতি আছিল।গতিকে এনেয়ে আল্লাহ তায়ালাৰ ক্ষমা সম্পৰ্কে কোনো সাক্ষী দিব নালাগে। কিন্তু যেতিয়া হজৰত উম্মে আলাক সপোনত হজৰত উচমান বিন মজউনৰ উচ্চ আমল এটা স্মৃতি স্বৰূপে দেখুৱাইছিল তেতিয়া সেয়া আঁহজৰত (ছাঃ) য়ে সত্যায়ন কৰিছিল। কাৰণ আঁহজৰত (ছাঃ) য়ে জানিছিল যে সেই বদৰি চাহাবাৰ সৈতে আল্লাহ তায়ালা সন্তুষ্ট হৈছে। আনহাতে আঁহজৰত (ছাঃ) ৰ দোৱা

আৰু তেখেত (ৰাঃ) ৰ প্ৰতি যি আবেগ প্ৰকাশ কৰিছে, তাৰ পৰা স্পষ্ট প্ৰমানিত হয় যে আঁহজৰত (ছাঃ) ৰ বিশ্বাস আছিল যে আল্লাহ তায়ালা সেই দোৱা শুনিব আৰু হজৰত উচমান (ৰাঃ) ৰ আল্লাহ তায়ালাৰ সান্নিধ্য লাভ কৰোঁতা হব। কিন্তু তথাপি তেখেত (ছাঃ) য়ে কৈছিল যে তোমালোকে কোনোজনৰ পক্ষে সাক্ষী দিব নোৱাৰা।

মছনদ আহমদ বিন হাম্বলত এই ঘটনাটো এনেদৰে বৰ্ণিত আছে। খাৰজা বিন জায়েদ নিজৰ মাকৰ পৰা শুনি বৰ্ণনা কৰিছে যে মাকে কৈছে যে হজৰত উচমান বিন মজউন (ৰাঃ) ৰ যেতিয়া মৃত্যু হৈছিল,তেতিয়া মই কৈছিলো হে আবু ছাহেব তুমি পবিত্ৰ, তোমাৰ উত্তম দিনবোৰ বহুতো উত্তম আছিল। নবী (ছাঃ) য়ে সেয়া শুনিবলৈ পাই কৈছিল এওঁ কোন? উত্তৰত কৈছিলো মই। আকৌ ৰছুলুল্লাহ (ছাঃ) য়ে সুধিছিল তোমাক কিহে এয়া জনালে? মই কৈছিলো ইয়া ৰছুলুল্লাহ (ছাঃ) হজৰত উচমান বিন মজউনৰ আমল আৰু তাৰ ইবাদত এনেকুৱা আছিল যিয়ে মোক প্ৰমানিত কৰি দিছে যে নিশ্চয় আল্লাহ তায়লা তেওঁৰ সৈতে ক্ষমাৰ আচৰণ কৰিব। তেতিয়া ৰছুলে পাক (ছাঃ) য়ে কৈছিল যে উচমান বিন মজউনৰ মাজত মই ভালৰ বাহিৰে একো দেখা নাই। লগতে এয়াওঁ কৈছিল যে এয়া মনত ৰাখিবা মই আল্লাহৰ ৰছুল। কিন্তু খোদাৰ কছম মইও নাজানো যে মোৰ লগত কি আচৰণ কৰিব। আঁহজৰত ((ছাঃ)তকৈ বেছি আল্লাহ তায়ালাৰ ইবাদত কৰোঁতা কোনো নাই। তেখেত (ছাঃ) খোদা তায়ালাৰ হাবিব (বন্ধু) তথাপি আল্লাহ তায়ালাৰ অসীম ক্ষমতা আৰু তাৰ ভয়ত, ভয়াতুৰ হৈ কৈছে যে মই নাজানো, মোৰ লগত কি আচৰণ কৰিব । গতিকে আমাৰ বাবে কিমান দূৰ ভয় কৰিবলগীয়া আছে আৰু আমি কিমান চিন্তা কৰা উচিত যে আমি নেক আমল কৰিব লাগিব,আল্লাহ তায়ালাৰ ইবাদতৰ প্ৰতি মনোযোগ দিব লাগে। বিনয় আৰু নম্ৰতাত আগবাঢ়িব লাগিব। সদায় আল্লাহ তায়ালাৰ কৃপা ভিক্ষা কৰিব লাগিব যাতে আল্লাহ তায়ালা নিজৰ কৃপা আৰু দয়াৰে আমাক ক্ষমা কৰি দিয়ে।

হুজুৰ আনোৱাৰ (আইঃ) য়ে কৈছে ইয়াৰ পিছত যিজন চাহাবীৰ বিষয়ে উল্লেখ কৰিম তেখেতৰ নাম আছিল হজৰত ওৱাহাব বিন ছাআদ বিন আবি ছৰাহ (ৰাঃ)। বনু আমৰ বিন লুইৰ সৈতে এখেতৰ সম্পৰ্ক আছিল।হজৰত ওৱাহাব (ৰাঃ) ভাই আব্দুল্লাহ বিন ছাআদ বিন আবু ছৰাহ (ৰাঃ) য়েই অহিবোৰে লিখিছিল। এখেতৰ বিষয়ে হজৰত মুছলেহ মাউদ (ৰাঃ) য়ে লিখিছে য়ে আঁহজৰত (ছাঃ) ৰ ওপৰত যেতিয়া কোনো অহি অবতীৰ্ণ হৈছিল তেতিয়া আব্দুল্লাহ বিন ছাআদক মাতি আনি সেয়া লিখোৱাইছিল। এদিন তেখেত (ছাঃ) য়ে ছুৰা মোমিনুনৰ ১৪ আৰু ১৫ নম্বৰ আয়াত লিখোৱাই আছিল। যেতিয়া হুজুৰ (ছাঃ) য়ে (ছুম্মা আনশা নাহু খালকান আখাৰ) পৰ্যন্ত পাঠ কৰিছিল তেতিয়া অহি লিখোতা জনৰ মুখেৰে নিজৰ অজানিতে ওলাই পৰিছিল (ফাতাবাৰাকাল্লাহু আহছানুল খালিফিন) তেতিয়া ৰছুলুল্লাহ (ছাঃ) য়ে কৈছিল এয়া অহিৰ এটা অংশ, এয়াও লিখি লোৱা। এয়া দেখি আব্দুল্লাহ বিন ছাআদে ভাবিছিল যে যেনেকৈ মোৰ মুখেৰে এই আয়াত ওলাই পৰিছে আৰু ৰছুলুল্লাহ (ছাঃ) য়ে এয়া অহি বুলি ধৰি লৈছে,এনেদৰে তেখেত (ছাঃ) য়ে (নাউজুবিল্লাহ) নিজেই কোৰআন লিপিবদ্ধ কৰিবলৈ লৈছে। সেয়ে পিছত তেওঁ ধৰ্মী ত্যাগী হৈ গৈছিল।

অছিম বিন উমৰ বৰ্ণনা কৰিছে য়ে যেতিয়া হজৰত ওৱাহাব (ৰাঃ) মক্কাৰ পৰা মদিনালৈ হিজৰত কৰিছিল,তেখেতে গৈ হজৰত কলছুম বিন হিদামৰ ঘৰত অৱস্থান কৰিছিল। হজৰত ৰছুলে কৰিম (ছাঃ) য়ে হজৰত ওৱাহাব আৰু হজৰত ছায়েদ বিন উমৰুৰ মাজত ভাতৃত্ব বন্ধন স্থাপন কৰি দিছিল। এওঁলোক দুয়ো মুতাৰ যুদ্দত শ্বহীদ হৈছিল। হজৰত ওৱাহাব বদৰৰ যুদ্ধ, হুদায় বিয়া আৰু খয়বৰত যোগদান কৰিছিল। শ্বাহাদতৰ সময়ত এখেত (ৰাঃ) ৰ বয়স আছিল ৪০ বছৰ। জমাদিউল আউৱাল চন ৪ হিজৰিত মুতাৰ যুদ্ধ সংগঠিত হৈছিল। ৰছুলুল্লাহ (ছাঃ) য়ে হজৰত হাৰিজ বিন উমিৰ (ৰাঃ) ক দুত হিচাপে চিঠিৰ সৈতে বচৰাৰ বাদশাহৰ ওচৰলৈ পঠাইছিল। তেতিয়া হজৰত হাৰিছে গৈ মুতা নামৰ ঠাইত উপস্থিত হয়, তেখেতক শ্বৰহাবিল বিন উমৰু গুছানিয়ে বাধা দি শ্বহীদ কৰি দিছিল। যেতিয়া এই খবৰ আহি আঁহজৰত (ছাঃ) ৰ কাণ পাইছিল, তেখেত (ছাঃ) য়ে বৰ দুখিত হৈছিল। তেখেত (ছাঃ) য়ে চাহাবা সকলক যুদ্ধৰ পৰা মাতিছিল তেতিয়া প্ৰায় তিনি হাজাৰ লোক যুদ্ধৰ নিমিত্তে সাজু হৈছিল। তেখেত (ছাঃ) য়ে কৈছিল হজৰত জায়েদ বিন হাৰছাক তোমালোকৰ আমিৰ নিযুক্তি কৰা হল। ইয়াৰ লগতে এটা বগা পতাকা হজৰত জায়েদৰ হাতত দি উপদেশ দিছিল যে হজৰত হাৰিজ বিন উমিৰক যিঠাইত শ্বহীত কৰা হৈছে , সেই ঠাইত উপস্থিত হৈ লোকক ইছলামলৈ আহব বান কৰিবা, যদি তেওঁলোকে ইছলাম গ্ৰহন কৰে তেন্তে কোনো কথা নাই, আৰু যদি নকৰে তেন্তে তেওঁলোকৰ বিৰদ্ধে খোদা তায়ালাৰ সহায় প্ৰাৰ্থনা কৰি যুদ্ধ আৰম্ভ কৰিবা। হজৰত ওৱাহাব (ৰাঃ)

ও এই যুদ্ধত অংশ গ্ৰহন কৰিছিল।

খোতবা জুমাৰ শেষত হুজুৰ আনোৱাৰ (আইঃ) য়ে কেইজন মান মৰহুমিনৰ নমাজে জানাজা পঢ়াৰ কথা ঘোষনা কৰে। ইয়াৰে প্ৰথম জানাজা হল মকৰম মালিক মহম্মদ ইক্ৰাম চাহাব ভাৰপ্ৰাপ্ত ছিলছিলাৰ জানাজা। ২০১৯ চনৰ ২৫ এপ্ৰিলত মানষ্টোৰত এখেতৰ মৃত্যু হৈছে। ইন্না লিল্লাহি ওয়া ইন্না ইলায়হি ৰাজিউন। আতাউল মুজিব ৰাশেদ চাহাবে কৈছে যে ইক্ৰাম চাহাব উত্তম চৰিত্ৰ আৰু উত্তম গুণাৱলীৰ অধিকাৰী লোক আছিল।তেখেতে এজন দায়িত্ববান মোবাল্লিগ আৰু আনুগত্যৰ ক্ষেত্ৰত উচ্চ স্থানৰ অধিকাৰী ছিলছিলাৰ খাদিম আছিল।

দ্বিতীয় জানাজা হল চৌধুৰী আব্দুছ শুকুৰ চাহাব মোবাল্লিগ ছিলছিলাৰ জানাজা। এখেত চৌধুৰী আব্দুল আজিজ চাহাব ছিয়ালকুটিৰ পুতেক আছিল। ২০১৯ চনৰ ১২ এপ্ৰিলত এখেতৰ মৃত্যু হয়। ইন্না লিল্লাহি ওয়া ইন্না ইলায়হি ৰাজিউন। মেহমুদ তাহিৰ চাহাব (কায়েদ অমুমি আনছাৰুল্লাহ পাকিস্থান) কয় যে এওঁ নীৰবে কাম কৰি যোৱা লোক আছিল। উপৰ্যুপৰি কামৰ দায়িত্ব মূৰ পাতি লৈছিল। এওঁ এজন সাধাৰণ জীৱণ যাপনকাৰী ্আৰু খিলাফত ছিলছিলাৰ বৰ বিশ্বাসী লোক আছিল।

তৃতীয় হল মকৰম মহম্মদ ছালেহ চাহাব মোৱাল্লিম ওয়াকফে জাদিদৰ জানাজা। ২০১৯ চনৰ ২১ এপ্ৰিলত এখেতৰ মৃত্যু হৈছে। ইন্না লিল্লাহি ওয়া ইন্না ইলায়হি ৰাজিউন। এখেতৰ আজু ককা মালিক উল্লাহ চাহাব হজৰত মছিহ মাউদ (আঃ) ৰ চাহাবী আছিল যিজনে চন্দ্ৰ আৰু সূৰ্য্য গ্ৰহনৰ নিচান দেখি লোৱাৰ পৰা খোজকাঢ়ি কাদিয়ানলৈ আহি হজৰত মছিহ মাউদ (আঃ)ৰ হাতত বয়াত কৰাৰ সৌভাগ্য লাভ কৰিছিল।

চতুৰ্থ হল মকৰম মুয়েশা জুমা চাহাব (তানজানিয়া) ৰ জানাজা। এখেতে ২০১৯ চনৰ ১৩ মাৰ্চত মৃত্যুবৰণ কৰিছে। ইন্না লিল্লাহি ওয়া ইন্না ইলায়হি ৰাজিউন। এখেত খিলাফত আৰু জামাতী নিজামৰ বৰ আনুগত্য লোক আছিল। তবলিগৰ প্ৰতি এখেতৰ বৰ উৎসাহ উদ্যম আছিল। চান্দা আদায়ৰ প্ৰতি বিশেষ মনোযোগী আৰু আগ শৰীৰ লোক আছিল। আল্লাহ তায়ালা সকলো মৰহুমিনৰ সৈতে ক্ষমাৰআৰু কৃপাৰ দ্বাৰা উন্মোচন কৰি এওঁলোকৰ মৰ্যাদা উন্নীত কৰক।( আমিন)

**********

## (BOOK POST PARINTED MATTER)

**Assamese Khulasa Khutba Jumma Huzoor Anwar 26 April.. 2019**

**To** ------------------------------------------------------------------------

------------------------------------------------------------------------

------------------------------------------------------------------------

**From: Ahmadiyya Circle Office, Abhayapuri M.G. Road W/n-IV, Bongaigaon Assam 783384. # 9707110844**